পাঠ - ৩

# পণ্ডিত আনন্দৰাম বৰুৱা

V5S4C9

*পৃথিৱীত এনে কিছুমান লোক আছে, যিসকলে নিজৰ প্ৰতিভা আৰু পাণ্ডিত্যৰ বাবে চিৰস্মৰণীয় হৈ আছে। অসম মাতৃৰ সুযোগ্য সন্তানসকলৰ ভিতৰত আনন্দৰাম বৰুৱা আছিল তেনে এগৰাকী ব্যক্তি। তেখেত সংস্কৃত সাহিত্যৰ বিদগ্ধ পণ্ডিত আছিল। সংস্কৃত চৰ্চাৰ জৰিয়তে অতি চুটি জীৱনকালত তেখেতে বিশ্ব-সাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়াই থৈ গৈছে। এই পাঠটোত আমি তেখেতৰ পাণ্ডিত্যৰ চমু আভাস পাম।*



১৮৭০ চন। অসমৰ এজন মেধাসম্পন্ন যুৱকে ভাৰতীয় প্ৰশাসনিক সেৱাৰ (আই.চি.এছ) প্ৰতিযোগিতামূলক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। কিন্তু উত্তীৰ্ণ হৈও তেখেতে স্বীকৃতিৰ বাবে থমকি ৰ'ব লগা হৈছিল। কাৰণ, এই পৰীক্ষাত উত্তীৰ্ণ বুলি ঘোষিত হ'বলৈ যি ন্যূনতম বয়সৰ প্ৰয়োজন, যুৱকজনৰ সেই বয়স হোৱা নাছিল। এই লৈ বিলাতৰ পাৰ্লামেণ্টত তুমুল বিতৰ্কৰ সৃষ্টি হৈছিল। তেতিয়া ব্ৰিটিছ পাৰ্লামেণ্টৰ সন্মানীয় এগৰাকী সদস্য মিঃ গ্ৰেণ্ট ডাফে পাৰ্লামেণ্টক পতিয়ন নিয়াবলৈ চেষ্টা কৰি যুক্তি দৰ্শাইছিল— 'আমি এই সিদ্ধান্তত উপনীত হওঁতে আই. চি. এছ. পৰীক্ষাৰ নিয়মাৱলীৰ ভিতৰুৱা উদ্দেশ্যলৈহে কাণ দিছোঁ। যিজন ছাত্ৰই সুদূৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা আহি ইমান প্ৰতিযোগীৰ মাজতো সুখ্যাতিৰে এই পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰিছে, তেখেতৰ আকাংক্ষাৰ বাটত আমি একো প্ৰতিবন্ধকতা জন্মাবৰ ইচ্ছা নকৰোঁ।' এইদৰে মহামতি মিঃ গ্ৰেণ্ট ডাফেৰ মহানুভৱতাৰ ফলতেই এই বিতৰ্কৰ পৰা ৰক্ষা পোৱা মেধাৱী যুৱকজনেই হ'ল আনন্দৰাম বৰুৱা।

'চেষ্টাৰ অসাধ্য একো নাই' বুলি এষাৰ কথা আছে। আনন্দৰাম বৰুৱাৰ ক্ষেত্ৰত এই কথাষাৰ আখৰে আখৰে ফলিয়াইছিল। তেখেতে আই. চি. এছ. পৰীক্ষাত সপ্তম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। কঠোৰ অধ্যৱসায় আৰু দৃঢ় মনোবলৰ বাবেই তেখেতে এই কঠিন লক্ষ্যত উপনীত হ'ব পাৰিছিল।

তেখেতৰ পিতৃ গৰ্গৰাম বৰুৱা আৰু মাতৃ দুৰ্লভেশ্বৰী বৰুৱা। মাক-দেউতাকৰ তৃতীয় সন্তান আনন্দৰাম বৰুৱাৰ ইংৰাজী ১৮৫০ চনৰ মে' মাহৰ ২১ তাৰিখে উত্তৰ গুৱাহাটীৰ ৰজা দুৱাৰত জন্ম হৈছিল। পণ্ডিতপ্ৰৱৰ চিভিলিয়ান আনন্দৰাম বৰুৱাই কামৰূপৰ উত্তৰ গুৱাহাটীৰ মজিন্দাৰ বৰুৱা বংশৰ লগতে অসমৰ নাম উজ্জ্বল কৰি থৈ গৈছে।

অসমত সেই সময়ত কলেজ নথকাত আনন্দৰাম বৰুৱাই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলকাতাৰ প্ৰেছিডেন্সী কলেজত নাম ভৰ্তি কৰে। সেই কলেজৰ পৰাই তেখেতে এফ. এ. পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ গণিতত সৰ্বোচ্চ নম্বৰ সহ 'ডাফ স্কলাৰছিপ' পায়।

সেই সময়ৰ ভাৰতত থকা ইংৰাজ চৰকাৰে ছাত্ৰক উচ্চ শিক্ষাৰ বাবে বৃত্তি দি বিলাতলৈ পঠিয়াইছিল। তেখেতে এই বৃত্তি লাভ কৰি লণ্ডনত বেৰিষ্টাৰী পঢ়ি সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল।

স্বদেশলৈ উভতি আহি তেখেতে পোনপ্ৰথমে শিৱসাগৰ জিলাত সহকাৰী মেজিষ্ট্ৰেট হিচাপে যোগদান কৰে। তাৰ পাছত তেখেতে মৈমনসিংহ জিলাৰ সহকাৰী মেজিষ্ট্ৰেট আৰু কালেক্টৰ হিচাপে নিযুক্তি লাভ কৰে। এনেদৰে বিভিন্ন জিলাত উচ্চ পদস্থ বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি ১৮৮৪ চনত নোৱাখালি জিলাৰ মেজিষ্ট্ৰেট হিচাপে নিযুক্ত হয়। নোৱাখালিত থাকোঁতে তেখেতে বংগদেশৰ উন্নয়নমূলক কাম কৰাৰ উপৰি আৰু তাত এটি গুৰুত্বপূৰ্ণ কাম আৰম্ভ কৰে। অসমৰ দৰে বংগদেশতো অঞ্চলভেদে ভাষাৰ ভিন্নতা আছিল। এই ভিন্নতা দূৰ কৰাৰ কাৰণে বংগদেশৰ ভাষাবিদসকলে মান্যভাষাত এখন অভিধানৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। তেখেতে এই গুৰুত্বপূৰ্ণ কামটো হাতত লৈছিল যদিও সম্পূৰ্ণ কৰিব নোৱাৰিলে।

তেখেতৰ অগাধ পাণ্ডিত্য, আকৰ্ষণীয় ব্যক্তিত্ব আৰু বিভিন্ন উন্নয়নমূলক কাৰ্যই বংগৰ নোৱাখালিৰ ৰাইজক মুগ্ধ কৰিছিল। নোৱাখালিত তেখেতৰ নামেৰে স্কুল, বজাৰ স্থাপন আৰু পুখুৰী খন্দা কাৰ্যই তাৰ প্ৰমাণ। সেইকালত স্ত্ৰী-শিক্ষা প্ৰচাৰৰ বাবে তেখেতে নোৱাখালিত এখন বালিকা বিদ্যালয়ো স্থাপন কৰিছিল।

সংস্কৃত ভাষাৰ অমৃত মন্থনেই আছিল তেখেতৰ জীৱনৰ একক ব্ৰত। তেখেতৰ দৃঢ় অভিপ্ৰায় আছিল বিশ্বৰ বুকুত ভাৰতীয় ভাষা শিক্ষাৰ গৌৰৱ বিলোৱা। এই উদ্দেশ্যৰেই তেখেতে প্ৰাচীন

ভাষা সাহিত্যৰ পুনৰুদ্ধাৰৰ বাবে চেষ্টা কৰিছিল। তেখেতৰ আশাশুধীয়া অধ্যয়নৰ ফলস্বৰূপে সৃষ্টি হৈছিল 'ব্যৱহাৰোপযোগী ইংৰাজী-সংস্কৃত অভিধান', 'উচ্চ সংস্কৃত ব্যাকৰণ', 'সংস্কৃত শিক্ষাৰ্থী সহচৰ' আৰু 'সৰস্বতী কণ্ঠাভৰণ'ৰ দৰে কালজয়ী অমৰ ৰচনাৱলী। তেখেতৰ পাণ্ডিত্যত বিমুগ্ধ হৈ সেই সময়ৰ প্ৰখ্যাত কবি মেকমিলানে এই স্তৱকটি লিখিছিল— 'এটা নাম আছে, যাৰ পৰশত পুৱাৰ পৰা সন্ধিয়ালৈকে, সন্ধিয়াৰ পৰা পুৱতিলৈকে মই থিৰেৰে থাকিব নোৱাৰা হৈছোঁ। ই নিজৰাৰ কুলু কুলু শব্দ নহয়, নাইবা হেমন্ত কালৰ গছৰ পাতৰ ৰিব্ ৰিব্ বতাহৰ হেন্দোলনি নহয়, ই লাৱণ্যময়ী যুৱতীৰ নাম নহয়, নাইবা দুপৰ নিশাৰ অমৃত বৰষা বুল বুলৰ ধ্বনিও এই নামত নাই। এই নামটো আন কাৰো নহয়— অলপতে আই. চি. এছ. পাছ কৰা আনন্দৰাম বৰুৱাৰ।'

অসমৰ গৌৰৱ এই জনা মনীষীয়ে ১৮৮৯ চনৰ ১৯ জানুৱাৰীত বংগদেশত আকস্মিকভাৱে মৃত্যুবৰণ কৰে। জীৱনৰ মূল্যায়ন যে দীৰ্ঘজীৱনৰ সলনি কৰ্মকৃতিৰ জৰিয়তেহে হয়, এই কথা সুন্দৰভাৱে তেখেতে প্ৰমাণ কৰি থৈ গৈছে। ঊনচল্লিছ বছৰীয়া চুটি জীৱনত চিৰকুমাৰ আনন্দৰাম বৰুৱাই সংস্কৃত ভাষা-সাহিত্যলৈ অমূল্য অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে ভাষা সাহিত্যৰ যি অমৃত ভাণ্ডাৰ দি থৈ গ'ল, সি সঁচাকৈয়ে অতুলনীয়।

### জানো আহা

**নোৱাখালি ঃ** অবিভক্ত ভাৰতৰ পূৰ্ববংগৰ এখন জিলাৰ নাম। বৰ্তমান ই বাংলাদেশৰ অন্তৰ্ভুক্ত এখন গুৰুত্বপূৰ্ণ জিলা।

**মৈমনসিংহ ঃ** নোৱাখালিৰ দৰেই মৈমনসিংহ হ'ল অবিভক্ত ভাৰতৰ পূৰ্ববংগৰ এখন জিলাৰ নাম। বৰ্তমান ই বাংলাদেশৰ এখন জিলা।

**আনন্দৰাম বৰুৱাৰ ৰচনাৱলী ঃ** ব্যৱহাৰোপযোগী ইংৰাজী-সংস্কৃত অভিধান, উচ্চ সংস্কৃত ব্যাকৰণ, প্ৰাচীন ভাৰতৰ ভূগোল, সৰস্বতী কণ্ঠাভৰণ, ভৱভূতিৰ মহাবীৰ চৰিত, জানকীৰাম ভাষা-টীকা সম্বলিত সংস্কৃত শিক্ষাৰ্থীৰ সহচৰ, সংস্কৃত ভাষাৰ বৃহৎ ব্যাকৰণ, বৈশ্লেষণিক ঐতিহাসিক আৰু আভিধানিক সংস্কৃত ভাষাৰ বৃহৎ ব্যাকৰণ আদি।

**আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি-সংস্থা** ঃ ১৯৮৯ চনত ৰাজ্য চৰকাৰে এই অনুষ্ঠানটো প্ৰতিষ্ঠা কৰে। ইংৰাজী নামটোৰ (Anundoram Borooah Institute of Language, Art And Culture, Assam) সংক্ষেপে ABILAC নামেৰে সমাজত জনাজাত।

ভাৰতৰ ব্ৰিটিছ আমোলত প্ৰথমজন অসমীয়া বেৰিষ্টাৰ আৰু অসমীয়া তথা ভাৰতীয় চিভিলিয়ান হোৱাৰ উপৰি আনন্দৰাম বৰুৱা আছিল এজন প্ৰখ্যাত সংস্কৃত পণ্ডিত। তেওঁৰ স্মৃতি ৰক্ষাৰ উদ্দেশ্যেই প্ৰতিষ্ঠা কৰা হৈছে 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি-সংস্থা, অসম' নামৰ এই বৃহৎ প্ৰতিষ্ঠানটো। অসমৰ ভাষা আৰু ভাষাতত্ত্ব সম্পৰ্কীয় অধ্যয়ন আৰু গৱেষণাৰ উপৰি অসমৰ কলা-সাহিত্য আৰু সংস্কৃতিৰ উৎকৰ্ষ সাধন কৰাই হ'ল 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি-সংস্থা'ৰ লক্ষ্য আৰু উদ্দেশ্য।



ৰাজ্যখনত শিক্ষাৰ প্ৰসাৰ আৰু গুণগত মান উন্নীতকৰণৰ উদ্দেশ্য আগত ৰাখি ৰাজ্য চৰকাৰে লোৱা আঁচনিসমূহৰ ভিতৰত 'আনন্দৰাম বৰুৱা বঁটা প্ৰদান' হৈছে এখন প্ৰচলিত আঁচনি। ২০০৫ চনৰ পৰা উক্ত আঁচনিৰ অধীনত হাইস্কুল, হাই-মাদ্ৰাছা শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক আনন্দৰাম বৰুৱা বঁটা (নগদ ধন অথবা লেপটপ্) প্ৰতিবছৰে প্ৰদান কৰা হয়।

## ক— পাঠভিত্তিক ক্ৰিয়া

**ক্ৰিয়া-কলাপ**

১। **পাঠটো শুদ্ধ আৰু স্পষ্টকৈ পঢ়া।**

২। **উত্তৰ দিয়া।**

(ক) আনন্দৰাম বৰুৱাৰ জন্ম ক'ত হৈছিল?

(খ) তেওঁৰ পিতৃ-মাতৃৰ নাম কি?

(গ) আনন্দৰাম বৰুৱাই কলকাতাৰ কোন কলেজত নামভৰ্তি কৰিছিল?

(ঘ) 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি-সংস্থা' কিয় প্ৰতিষ্ঠা কৰিছিল?

৩। **ABILAC — ৰ সম্পূৰ্ণ নামটো ইংৰাজী আৰু অসমীয়াত লিখা।**

প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে পাঠতো শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়াৰ প্ৰতি লক্ষ্য ৰাখিব।

৪। তলত দিয়া পুথিসমূহৰ পৰা আনন্দৰাম বৰুৱাই ৰচনা কৰা পুথিসমূহ বাছি উলিয়াই লিখা।

- কৌটিল্যৰ অৰ্থশাস্ত্ৰ
- প্ৰাচীন ভাৰতৰ ভূগোল
- ভৱভূতিৰ মহাবীৰ চৰিত
- ইংৰাজী-সংস্কৃত অভিধান
- মহাভাৰত
- উচ্চ সংস্কৃত ব্যাকৰণ
- সৰস্বতী কণ্ঠাভৰণ
- ভাগৱতৰ দশম স্কন্ধ
- সংস্কৃত ভাষাৰ বৃহৎ ব্যাকৰণ
- সংস্কৃত শিক্ষাৰ্থী সহচৰ
- নাম-ঘোষা

আনন্দৰাম বৰুৱাই আই. চি. এছ. পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত বিলাতত হোৱা বয়সৰ বিতৰ্কত মি. গ্ৰেণ্ট ডাফে দিয়া মন্তব্যটো নিজৰ ভাষাত লিখা।

আনন্দৰাম বৰুৱাৰ কৰ্ম জীৱনৰ বিষয়ে কেইশাৰীমান বাক্য লিখা।

'ক' অংশত থকা শব্দৰ লগত 'খ' অংশত থকা অৰ্থবোৰ আঁচ টানি মিলোৱা।

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| অধ্যৱসায় | অতি শুৱনি, বহুতৰ মাজত চকুত পৰা |
| মন্থন | সুনাম, যশস্যা |
| সুখ্যাতি | মথা বা ঘোঁটা কাৰ্য |
| জাকতজিলিকা | প্ৰতিদ্বন্দ্বী |
| অৱদান | আশা নকৰা |
| সংকল্প | কামত লগোৱা, কামত নিয়োগ কৰা |
| অপ্ৰত্যাশিত | নেৰা নেপেৰাকৈ লাগি থকা কাৰ্য |
| প্ৰতিযোগী | জ্ঞানী |
| নিযুক্ত | কোনো কাম কৰিবলৈ দৃঢ় ইচ্ছা |
| মনীষী | বৰঙণি বা অৰিহণা |

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**জানো আহা**

মই পঢ়িছোঁ।

মই পঢ়িছিলোঁ।

মই পঢ়িম।

'পঢ়িছোঁ, পঢ়িছিলোঁ, পঢ়িম'— এইকেইটা হৈছে সমাপিকা ক্রিয়াপদ। সমাপিকা ক্রিয়াবোৰ কালসাপেক্ষ অর্থাৎ ক্রিয়াপদটোৱে সদায় একোটা নির্দিষ্ট সময়ত কোনো এটা কাম কৰা বা হোৱা বুজায়। ক্রিয়াৰ এনে সময়কে 'কাল' বোলে।

'কাল' তিনি প্রকাৰৰ— বর্তমান কাল, অতীত কাল আৰু ভৱিষ্যৎ কাল।

**তলৰ বাক্যকেইটালৈ চোৱা—**

১। আনন্দৰাম বৰুৱা সংস্কৃতৰ অগাধ পণ্ডিত আছিল।

২। তেখেতে আই. চি. এছ. পৰীক্ষাত সপ্তম স্থান লাভ কৰিছিল।

৩। আনন্দৰাম বৰুৱাই লণ্ডনত বেৰিষ্টাৰী পঢ়ি সুখাতিৰে উত্তীর্ণ হৈছিল।

বাক্যকেইটাত **আছিল, কৰিছিল** আৰু **হৈছিল** আদি ক্রিয়াপদবোৰে বহুদিনৰ আগতে কৰা বা হোৱা কার্যৰ কথা প্রকাশ কৰিছে। অর্থাৎ অতীতৰ কামৰ কথা বুজাইছে। এনেবোৰ ক্রিয়াৰ সময়কে **অতীত কাল** বোলে।

এনেদৰে ক্রিয়াটোৱে যদি বর্তমান কৰি থকা বুজায়, তেন্তে **বর্তমান কাল** আৰু যদি আগলৈ কামটো কৰাৰ কথা বুজায়, তাকে **ভৱিষ্যৎ কাল** বোলে।

**৮। দলত ভাগ হৈ পাঠটো পঢ়া। পাঠৰ পৰা অতীত কালৰ ক্রিয়াপদকেইটা বাছি উলিয়াই লিখা।**

**৯। খালী ঠাই পূৰ কৰা।**

(ক) কালি মই গুৱাহাটীলৈ ——। (খ) কাইলৈ আমাৰ ঘৰলৈ ৰমেন——।

(গ) ল'ৰা বিলাকে খেল পথাৰত বল ——।

**১০। পাঠৰ পৰা বিশেষ্য, বিশেষণ, সর্বনাম আৰু ক্রিয়াপদ বিচাৰি উলিয়াই বহীত লিখা।**

## গ—জ্ঞান সম্প্রসাৰণ

**১১। 'চেষ্টাৰ অসাধ্য একো নাই' কথাষাৰ বহলাই লিখা।**

**১২। কিছুমান লোকে ভালদৰে পঢ়া শুনা কৰি, ভাল কাম কৰি নিজৰ বংশৰ লগতে দেশৰ নামো উজ্জ্বল কৰে। তুমি নিজে তেনে এজন ব্যক্তি হ'বলৈ কি কৰিবা লিখা।**

*১০ নম্বৰ ক্রিয়া-কলাপটো কৰোঁতে ছাত্র-ছাত্রীক সহায় কৰিব।*

জানো আহা



**পদ্মনাথ গোহাঞি বৰুৱা** - অসীম ত্যাগ স্বীকাৰ কৰি অসমীয়া ভাষা সাহিত্যৰ ভেটি নিৰ্মাণ কৰি সুদৃঢ় কৰা লেখকসকলৰ ভিতৰত পদ্মনাথ গোহাঞি বৰুৱা অন্যতম। তেখেতৰ জন্ম হৈছিল ১৮৭১ চনত উত্তৰ লখিমপুৰ (লক্ষীমপুৰ)ৰ নকাড়ী নামৰ গাঁৱত। তেখেতৰ দেউতাক আছিল ঘিণাৰাম বৰুৱা। পদ্মনাথ গোহাঞি বৰুৱাই কলকাতাত বি.এ. পঢ়ি থাকোঁতে অসমীয়া ভাষা সাহিত্য সাধনাত ব্ৰতী হৈছিল। জোনাকী আলোচনীত তেখেতে লেখা মেলা আৰম্ভ কৰিছিল। ১৯১৭ চনত তেখেত অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশনৰ প্ৰথম সভাপতি আছিল।

**১৩। বিভিন্ন ক্ষেত্ৰত (সাহিত্য, কলা, গীত গোৱা, বাদ্য-যন্ত্ৰী, চিত্ৰ-শিল্পী, খেলুৱৈ) আদিৰ নাম সংগ্ৰহ কৰি তালিকা প্ৰস্তুত কৰা ।**

জানো আহা



সীতানাথ ব্ৰহ্মচৌধুৰী (১৯০৮—১৯৮২)

সীতানাথ ব্ৰহ্মচৌধুৰীয়ে সাহিত্যৰ প্ৰতি আগবঢ়োৱা অৱদান অতুলনীয়। ‘নিৰুপমা সৌন্দৰ্য প্ৰতিমা’ৰ অন্বেষণ কৰা কবি ব্ৰহ্মচৌধুৰীৰ প্ৰথম কবিতা পুথি ‘কমল কলি’ ১৯২৫ চনত প্ৰকাশ হৈছিল । তাৰ পিছত ‘আবেগ’ আৰু ‘চকুলো’ নামৰ দুখন পুথি প্ৰকাশিত হৈছিল।

১৯৫৬ চনত ধুবুৰীত অনুষ্ঠিত হোৱা সাহিত্য সভাৰ মুকলি সভাৰ ব্ৰহ্মচৌধুৰী ডাঙৰীয়া উদ্বোধক আছিল। ১৯৮১ আৰু ১৯৮২ চনত যথাক্ৰমে দুবাৰ তেখেতে অসম সাহিত্য সভাৰ সভাপতিৰ আসন শোভিত কৰে। সীতানাথ ব্ৰহ্মচৌধুৰী প্ৰকৃতপক্ষে জাতীয় সংস্কৃতিৰ সমন্বয়ৰ প্ৰতীক স্বৰূপ। তেখেত অতি স্পষ্টবাদী, সুদৃঢ়মনা ব্যাক্তি আছিল।

*১১ নম্বৰ প্ৰশ্নৰ বিষয়টো লৈ তৰ্ক প্ৰতিযোগিতা পাতি সকলো ছাত্ৰ-ছাত্ৰীকে অংশগ্ৰহণ কৰাব।*

জানো আহা

মহৰ্ষি পাণিনি ঃ মহৰ্ষি পাণিনিয়ে ‘অষ্টাধ্যায়ী’ নামে সংস্কৃত ভাষাৰ ব্যাকৰণ প্ৰণয়ন কৰে। এই ব্যাকৰণখনেই বিশ্বৰ ভিতৰত স্বীকৃত বিজ্ঞানসন্মত ব্যাকৰণ পুথি। জন বেকাচ (John Backus) নামে এজন বিজ্ঞানীয়ে এই ব্যাকৰণ পুথিখনৰ ভিত্তিত পোন প্ৰথমে তথ্য প্ৰযুক্তিৰ আহিলা কম্পিউটাৰৰ উপযোগীকৈ ‘কৃত্ৰিম ভাষা প্ৰযুক্তি’ নিৰ্মাণ কৰে। এই প্ৰযুক্তিক ‘যান্ত্ৰিক ভাষা’ বুলি কোৱা হয়। ভাষাটো কম্পিউটাৰ জগতত PBNF (Panini Backus Normal Form) নামে জনাজাত। পাণিনিৰ এই অৱদানৰ বাবে বিশ্বই সদায় ভাৰতবৰ্ষ আৰু সংস্কৃত ভাষাৰ ওচৰত ঋণী হৈ থাকিব।

## ঘ — প্ৰকল্প

১৪। প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ গাঁৱৰ/ঠাইৰ সকলোৰে জনা এজন ব্যক্তিৰ (লিখা-মেলা কৰা, গীত-গোৱা, সমাজৰ কাম কৰা, খেলা-ধূলা কৰা, নৃত্য কৰা, মাটিৰ মূৰ্তি সজা, কাঠৰ বস্তু তৈয়াৰ কৰা, বাঁহৰ বস্তু সজা, মৰাপাটৰ বস্তু তৈয়াৰ কৰা আদি যিকোনো এটা বিষয়ত পাৰ্গত)ৰ বিষয়ে আনক সুধি বা নিজে সেই ব্যক্তিৰ লগত দেখা কৰি তেখেতৰ বিষয়ে তথ্য সংগ্ৰহ কৰি লিখিবা।

১৫। ভৱিষ্যতে কোনে কি হ'বলৈ বিচৰা আৰু কিয় হ'ব বিচৰা সেই বিষয়ে লিখা।

☞ ১৪ নং কাৰ্যটো কৰোঁতে দুজন ছাত্ৰ/ছাত্ৰীক লিখাখিনি সংগ্ৰহ কৰিবলৈ দিব। ভাল আখৰৰ কেইজনমান ছাত্ৰ/ছাত্ৰীক এ[illegible] জোখৰ কাগজত লিখিবলৈ দিব আৰু এখন হাতেলিখা আলোচনী প্ৰস্তুত কৰি উলিওৱাত সহায় কৰিব। সেই আলোচনী[illegible] জীৱনী সংকলন হিচাপে প্ৰস্তুত কৰিব।

☞ ১৫ নং কাৰ্যটো কৰোঁতে সহায় কৰিব।